**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***----------------------***

১। অপেক্ষাৰ অন্ত পেলাই দেশৰ ৫৪২ খন আসনৰ বাবে অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ ভোটগণনা কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে আৰম্ভ। শেহতীয়া গণনাত আগবাঢ়ি আছে বিজেপি নেতৃত্বাধীন এন ডি এ।

২। অসমতো সৰ্বানন্দ সোণোৱাল, গৌৰৱ গগৈ, বদৰুদ্দিন আজমলকে ধৰি ১৪৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয়। গণনাৰ প্ৰাৰম্ভিক তথ্য অনুসৰি গুৱাহাটীত বিজুলী কলিতা মেধি আৰু যোৰহাটত গৌৰৱ গগৈৰ অগ্ৰগতি।

৩। নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮ লৈ বৃদ্ধি। বান বিধ্বস্ত ১০ খন জিলাৰ ১৯১টা শিবিৰত ৩৬ হাজাৰৰো অধিক লোকৰ আশ্ৰয় গ্ৰহণ।

**আৰু**

৪। ফ্ৰেঞ্চ অপেন টেনিছত ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ সহযোগী অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

oooooo

দেশৰ ৫৪২ খন আসনৰ বাবে অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ ভোটগণনা কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে পুৱা ৮ বজাত আৰম্ভ হৈছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে ভোটগণনা স্বচ্ছ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গুজৰাটৰ চুৰাট আসনত ইতিমধ্যে বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। উল্লেখযোগ্য যে চৰকাৰ গঠনৰ বাবে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ যিকোনো এটা দলকে ২৭২ খন আসনৰ প্ৰয়োজন হ'ব।

দেশৰ অন্য ৰাজ্যসমূহৰ লগতে অসমতো ৫২টা কেন্দ্ৰত লোকসভা নিৰ্বাচনৰ ভোটগণনা আৰম্ভ হৈছে। ইয়াৰ পূৰ্বৰ নিৰ্বাচনত প্ৰথমে পোষ্টেল বেলটসমূহ গণনা কৰা হৈছিল আৰু তাৰ ৩০ মিনিট পাছত ইভিএম মুকলি কৰাৰ ব্যৱস্থা আছিল যদিও এইবাৰ লোকসভা নিৰ্বাচনত এই নিয়মৰ কিছু সলনি কৰা হয়। এইবাৰ ৰিটাৰ্ণিং বিষয়া থকা জিলাৰ ভোটগণনা কেন্দ্ৰত পুৱা ৮ বজাত পোষ্টেল বেলট গণনা আৰম্ভ হৈছে আৰু ৩০ মিনিট পাছত ইভিএম মুকলি কৰা হৈছে। এই স্থানসমূহত পোষ্টেল বেলট গণনাৰ বাবে পৃথক টেবুলৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, বাকী জিলাসমূহত পোষ্টেল বেলট পেপাৰ গণনা কৰা নহয়।

অসমৰ লগতে ত্ৰিপুৰাৰ পশ্চিম লোকসভা সমষ্টিৰ ৭টা কেন্দ্ৰত ভোটগণনা আৰম্ভ হৈছে আৰু ৬ৰ পৰা ১০টা ৰাউণ্ডৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পন্ন হ'ব।

মণিপুৰতো ইনাৰ আৰু আউটাৰ লোকসভা সমষ্টি দুটাৰ ভোটগণনাৰ বাবে ২৪টা কেন্দ্ৰত ভোটগণনা আৰম্ভ হৈছে।

লোকসভা নিৰ্বাচনৰ লগতে অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাৰ বিধানসভা নিৰ্বাচন আৰু বিভিন্ন সমষ্টিৰ উপ-নিৰ্বাচনৰো আজি ভোটগণনা কৰা হৈছে।

শেহতীয়া গণনা অনুযায়ী বিজেপি ৪২ খন আসনত আগবাঢ়ি আছে। ইয়াৰ বিপৰীতে কংগ্ৰেছে ১৭ খন আসনত অগ্ৰগতি লাভ কৰিছে। অৰুণাচল পশ্চিম সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু প্ৰতিপক্ষতকৈ ২ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। মধ্যপ্ৰদেশত বিজেপি প্ৰাৰ্থী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু হিমাচল প্ৰদেশৰ মাণ্ডিত বিজেপি প্ৰাৰ্থী কংগনা ৰানাৱট অগ্ৰগতি লাভ কৰিছে। গুজৰাটৰ পৌৰবন্দৰত কেন্দ্ৰীয় মন্ত্ৰী ডা০ মনসুখ মাণ্ডাভিয়া ১২ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। ত্ৰিপুৰা পশ্চিম সমষ্টিত বিজেপি প্ৰাৰ্থী বিপ্লৱ কুমাৰ দেৱ আগবাঢ়ি আছে।

০০০০০০

দেশৰ আন আন ৰাজ্যৰ লগতে অসমতো কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত আজি পুৱাৰে পৰা লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ প্ৰক্ৰিয়া পূৰ্ণগতিত অব্যাহত আছে। ভোটগণনাৰ বাবে ৰাজ্যত স্থাপন কৰা ৫২টা কেন্দ্ৰত ৬৪ জন সাধাৰণ পৰ্যবেক্ষকে ভোটগণনাৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰি আছে। প্ৰতিটো ভোটগণনা কেন্দ্ৰতে নিৰ্বাচন আয়োগে নিয়োগ কৰা এই সাধাৰণ পৰ্যবেক্ষক তথা গণনা পৰ্যবেক্ষকসকলে যাৱতীয় ব্যৱস্থাপনাৰ সকলো দিশ সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

গুৱাহাটীৰ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত চলি থকা গণনা প্ৰক্ৰিয়াত এইবাৰ কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ মুঠ এহাজাৰ ২৬টা ইভিএম আছে। জিলাখনৰ অন্তৰ্গত ৫টা বিধানসভা সমষ্টি ক্ৰমে- দিছপুৰ, ডিমৰীয়া, নিউ গুৱাহাটী, মধ্য গুৱাহাটী আৰু জালুকবাৰীৰ প্ৰতিটোৰ বাবে ১৪খনকৈ মুঠ ৭০খন মেজত ভোটগণনা কৰি থকা হৈছে। তদুপৰি আন ১০খন মেজত প'ষ্টেল বেলট গণনাৰ দিহা কৰা হৈছে। ইয়াৰে দিছপুৰ সমষ্টিত ১৬ ৰাউণ্ড, ডিমৰীয়াত ১৭ ৰাউণ্ড, নিউ গুৱাহাটীত ১৪ ৰাউণ্ড, মধ্য গুৱাহাটীত ১৪ ৰাউণ্ড আৰু জালুকবাৰীত ১৫ ৰাউণ্ড গণনাৰে ভোটগণনা প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব।

ইফালে আজি পুৱাৰে পৰা বজালী নিৰ্বাচনী জিলাৰ ভোটগণনা পৰ্ব ভট্টদেৱ বিশ্ববিদ্যালয়ত পূৰ্ণগতিত চলি অব্যাহত আছে। বজালী সমষ্টিৰ ১ লাখ ৬৩ হাজাৰ ৭১ জন আৰু ভৱানীপুৰ সৰভোগ সমষ্টিৰ ২ লাখ ১১ হাজাৰ ৪৪৭ জন ভোটাৰ থকা এটা গণনা কক্ষৰ ১৪খনকৈ মেজত গণনা পৰ্ব আৰম্ভ হৈছে। উল্লেখযোগ্য যে বজালী সমষ্টিৰ ১৬টা আৰু ভৱানীপুৰ সৰভোগ সমষ্টিৰ ১৯ ৰাউণ্ডত এই ভোটগণনা প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব।

একেদৰে কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত গোসাঁইগাঁও, কোকৰাঝাৰ, চিৰাং, বিজনী আৰু বাক্সা নিৰ্বাচনী জিলাৰ ৫টাকৈ ভোটগণনা কেন্দ্ৰত ভোটগণনা চলি আছে। ধুবুৰী লোকসভা সমষ্টিৰো ৬ খন নিৰ্বাচনী জিলাৰ ৬টা ভোটগণনা কেন্দ্ৰত ভোটগণনা আৰম্ভ হৈছে।

শোণিত জিলাৰ অন্তৰ্গত তেজপুৰ, ঢেকীয়াজুলি, বৰছলা, ৰঙাপাৰা আৰু নদুৱাৰ বিধানসভা সমষ্টিৰ ভোটগণনা প্ৰক্ৰিয়া দৰং মহাবিদ্যালয়ৰ ভোটগণনা কক্ষত ইতিমধ্যে আৰম্ভ হৈছে। মুঠ ৫টা কক্ষৰ প্ৰতিটোতে ১৪খনকৈ মেজত ভোটগণনা চলি থকা বুলি জানিব পৰা গৈছে। পুৱা চাৰে ৫ বজাত সকলো ৰাজনৈতিক দলৰ

প্ৰতিনিধিৰ উপস্থিতিত ষ্ট্ৰং ৰুম মুকলি কৰাৰ পাছত ৮ বজাৰ পৰা ভোটগণনা কক্ষসমূহত প'ষ্টেল বেলট গণনা কৰি থকা হৈছে। ইফালে বিশ্বনাথ, গহপুৰ আৰু বিহপুৰীয়াতো পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ হৈছে।

কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাতো আজি পুৱা ৮ বজাৰ পৰা ১০খন মেজত প'ষ্টেল বেলটৰ ভোটগণনা চলি আছে। আনহাতে পুৱা চাৰে ৮ বজাৰ পৰা ইভিএমৰ ভোটগণনাও আৰম্ভ হোৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য কৰিমগঞ্জ জিলাৰ ৪টা বিধানসভা সমষ্টিৰ উত্তৰ কৰিমগঞ্জৰ বাবে ১৪খন মেজত ২২টা ৰাউণ্ডত মুঠ ৩০১ ভোটকেন্দ্ৰৰ ভোটগণনা কৰা হ'ব। আনহাতে দক্ষিণ কৰিমগঞ্জ বিধানসভাৰ মুঠ ৩১২টা ভোটকেন্দ্ৰৰ ভোটগণনা ১৪খন মেজত ২৩টা ৰাউণ্ডত কৰা হ'ব। একেদৰে পাথাৰকান্দি বিধানসভা সমষ্টিৰ মুঠ ১৯৮ ভোটকেন্দ্ৰৰ ভোটগণনা ১২খন মেজত ১৭টা ৰাউণ্ডত আৰু ৰামকৃষ্ণ নগৰ বিধানসভা সমষ্টিৰ ২৪৭টা ভোটকেন্দ্ৰৰ ভোটগণনা ১৪খন মেজত ১৮টা ৰাউণ্ডত কৰা হ'ব।

ইপিনে নগাঁও নিৰ্বাচনী জিলাৰ ভোটগণনা কক্ষত ভোটগণনাৰ বাবে ১৪খন মেজ আৰু গণনাকৃত গোটসমূহ একত্ৰিকৰণৰ বাবে এখন মেজৰ লগতে সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ বাবে আন এখন মেজৰ ব্যৱস্থা কৰা হৈছে।

গোৱালপাৰা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভোটগণনা কেন্দ্ৰতো আজি পুৱাৰে পৰা গণনা প্ৰক্ৰিয়া অব্যাহত আছে। গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিত ২১টা ৰাউণ্ড, দুধনৈ বিধানসভা সমষ্টিত ২৫টা ৰাউণ্ড আৰু ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত জলেশ্বৰ বিধানসভা সমষ্টিত ২৮টা ৰাউণ্ড তথা গোৱালপাৰা পূব বিধানসভা সমষ্টিত ২৮টা ৰাউণ্ডৰ জৰিয়তে ভোটগণনা কৰা হ'ব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

যোৰহাট লোকসভা সমষ্টিৰ অধীনৰ শিৱসাগৰ নিৰ্বাচনী জিলাৰ  শিৱসাগৰ আৰু ডিমৌ বিধানসভা সমষ্টিৰ ভোটগণনাও আজি পুৱাৰে পৰা শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত স্থাপন কৰা গণনা কক্ষত অব্যাহত আছে। জিলাখনৰ ডিমৌৰ ২১২টা ভোটগ্ৰহণ কেন্দ্ৰৰ ইভিএমৰ ভোটসমূহ ১৬টা ৰাউণ্ডত আৰু শিৱসাগৰৰ ২৬৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভোটসমূহ ২০টা ৰাউণ্ডত গণনা কৰা হ'ব।

দৰং-ওদালগুৰিৰ শেহতীয়া গণনা অনুসৰি কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশী ৮ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ আজি ফলাফল ঘোষণা হ'বলগীয়া সমষ্টিসমূহৰ ভিতৰত অসমৰো ১৪টা সমষ্টিত মুঠ ১৪৩ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। ৰাজ্যত ৩টা পৰ্যায়ত হোৱা এই নিৰ্বাচনত নৱগঠিত কাজিৰঙা সমষ্টিত বিজেপিৰ হৈ ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই আৰু কংগ্ৰেছৰ হৈ ৰ'জলীনা তিৰ্কিয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইফালে যোৰহাট সমষ্টিত দুই সাংসদ বিজেপিৰ তপন কুমাৰ গগৈ আৰু কংগ্ৰেছৰ গৌৰৱ গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে ডিব্ৰুগড় সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল তথা বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। শোণিতপুৰত বিজেপিৰ হৈ মন্ত্ৰী ৰঞ্জিত দত্তই তথা কংগ্ৰেছৰ প্ৰেমলাল গাঞ্জু আৰু বিপিএফৰ ৰাজু দেউৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। লখিমপুৰ সমষ্টিত বিজেপিৰ হৈ সাংসদ প্ৰদান বৰুৱা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী উদয়শংকৰ হাজৰিকাই প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে দৰং-ওদালগুৰিত বিজেপিৰ হৈ সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গা দাস বড়োৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ডিফুত

বিজেপিৰ অমৰ সিং টিছ্' আৰু কংগ্ৰেছৰ জয়ৰাম ইংলেঙে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বিজেপিৰ হৈ কৰিমগঞ্জত কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ আহমেদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ বিধায়ক ছাহাবুল ইছলাম চৌধুৰীয়ো প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আনহাতে শিলচৰত বিজেপিৰ হৈ মন্ত্ৰী পৰিমল শুক্লবৈদ্য আৰু কংগ্ৰেছৰ হৈ সূৰ্যকান্ত সৰকাৰে, নগাঁৱত বিজেপিৰ হৈ সুৰেশ বৰা, কংগ্ৰেছৰ হৈ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইফালে গুৱাহাটী সমষ্টিত বিজেপিৰ বিজুলী কলিতা মেধি আৰু কংগ্ৰেছৰ মীৰা বৰঠাকুৰে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বৰপেটাত এন ডি এৰ প্ৰাৰ্থীৰূপে অগপ বিধায়ক ফণীভূষণ চৌধুৰী, চি পি আই এমৰ মনোৰঞ্জন তালুকদাৰ আৰু কংগ্ৰেছৰ দ্বীপ বায়নে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধুবুৰী সমষ্টিত কংগ্ৰেছৰ হৈ বিধায়ক ৰকিবুল হুছেইন, এ আই ইউ ডি এফৰ হৈ সাংসদ বদৰুদ্দিন আজমল আৰু  এন ডি এৰ প্ৰাৰ্থীৰূপে অগপৰ জাবেদ ইছলামে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কোকৰাঝাৰত এন ডি এৰ প্ৰাৰ্থীৰূপে ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী, বি পি এফৰ খাম্পা বৰগয়াৰী আৰু কংগ্ৰেছৰ গৰ্জন মুছাহাৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৰাজ্যৰ ১৪ টা সমষ্টিৰ অন্তৰ্গত জিলাসমূহত প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে ভাৰতীয় ফৌজদাৰী বিধিৰ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰাৰ লগতে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। লখিমপুৰ জিলা দণ্ডাধীশে জাৰি কৰা নিৰ্দেশৰ জৰিয়তে জিলাখনৰ ভোটগণনা কক্ষৰ এশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰৱেশ কৰা সমাবেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে আইন শৃংখলা বা ভোটগণনা কাৰ্যৰ সৈতে জড়িত ব্যক্তিৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য নহ'ব। তদুপৰি জিলাখনত সমাবেশ, বিক্ষোভ আদি প্ৰদৰ্শনতো বাধা আৰোপ কৰা হৈছে। যোৰহাট আৰক্ষীয়ে ভোটগণনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত আজি কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে যান-বাহনসমূহত তালাচী অব্যাহত ৰাখিছে। ধুবুৰী জিলাতো ভোটগণনা শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে ১৪৪ ধাৰা জাৰি কৰা হৈছে।

ইফালে অসম আৰক্ষীয়ে আজি ভোটগণনাৰ বাবে গুৱাহাটী মহানগৰীত যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত গধুৰ বয়-বস্তু পৰিবাহী যান-বাহনৰ চলাচল পুৱা ৪ বজাৰ পৰা ভোটগণনা শেষ নোহোৱা পৰ্যন্ত বন্ধ ঘোষণা কৰা হৈছে। একেদৰে গণনা কাৰ্য হ'বলগীয়া মণিৰাম দেৱান ট্ৰেড চেণ্টাৰলৈ যান-বাহনৰ চলাচল নিয়ন্ত্ৰণৰ বাবে ৰাজীৱ গান্ধী পথটো ন'-পাৰ্কিং জ'ন ঘোষণা কৰাৰ লগতে এই পথটোৰে যান-বাহন চলাচল নিয়ন্ত্ৰণ কৰা হৈছে। ইপিনে, মণিৰাম দেৱান ট্ৰেড চেণ্টাৰলৈ ইণ্ডিয়ান অইল ক'ৰ্পৰেচন লিমিটেডৰ ফালৰ পৰা ছাৰ্ভিচ লেনেৰে কোনো যান-বাহন প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। গড়চুকৰ দিশৰ পৰা অহা যান-বাহনসমূহো পোনপটীয়াকৈ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰৰ সন্মুখেৰে নহাকৈ ফ্লাই অ'ভাৰ হৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

ৰাজ্যৰ সাম্প্ৰতিক বানত ১০ খন জিলাৰ ৬ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। বিগত ২৪ ঘণ্টাত কাছাৰ জিলাত বানত ৪ জন লোকে প্ৰাণ হেৰুওৱাৰ ফলত বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৮ লৈ বৃদ্ধি হৈছে। ৰাজ্যখনৰ ৫৭৭ খন গাঁও প্লাৱিত হোৱাৰ লগতে ৬ হাজাৰৰো অধিক হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি কেইবাখনো জিলাৰ পথ, মথাউৰি আৰু আন্তঃগাঁথনি

ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে বানৰ কবলত পৰা জিলাসমূহত ইতিমধ্যে ১৯১টা সাহায্য শিবিৰ আৰু ১০৮টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে।

ইপিনে উত্তৰ-পূৰ সীমান্ত ৰে'লৰেই নিউ হাফলং-চন্দ্ৰনাথপুৰৰ ৰে'লপথৰ ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ জুনলৈকে কেইখাখনো ৰে'লৰ যাত্ৰা বাতিল কৰাৰ লগতে আন কেইখাখনো ৰে'লৰ যাত্ৰা আংশিকভাৱে বাতিল কৰিছে।

০০০০০০

ফ্ৰেন্স অপেন টেনিছত ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ সহযোগী অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনে পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দ্বিতীয় বাছনিপ্ৰাপ্ত ভাৰত-অষ্ট্ৰেলিয়াৰ যুটীটোৱে ছুপাৰ টাই ব্ৰেকাৰত ভাৰতৰ এন শ্ৰীৰাম বালাজী আৰু মেক্সিকোৰ মিগেল এঞ্জেল ৰেয়েছ ভাৰেলাৰ যুটীটোক ৬-৭, ৬-৩ আৰু ৭-৬ ফলাফলত পৰাজিত কৰে। কোৱাৰ্টাৰ ফাইনেলত তেওঁলোক দশম বাছনিপ্ৰাপ্ত বেলজিয়ামৰ ছেণ্ডাৰ গিলে আৰু আৰু জোৱান ভ্লিগেনৰ মুখামুখি হ'ব।

০০০০০০

আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজত চলি থকা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইয়াৰে প্ৰথমখন খেল ইতিমধ্যে পুৱা ৬ বজাৰ পৰা গায়ানাত উগাণ্ডা আৰু আফগানিস্তানৰ মাজত অনুষ্ঠিত হৈছে।

আনহাতে নিশা ৮ বজাত বাৰ্বাডোজত হ'বলগীয়া দ্বিতীয়খন খেলত পূৰ্বৰ চেম্পিয়ন ইংলেণ্ডে স্কটলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইফালে যোৱা নিশাৰ খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাক ৬ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি শ্ৰীলংকাই ১৯ অভাৰ ১টা বলত মাত্ৰ ৭৭ ৰানত ইনিংছ সামৰাৰ পাছত দক্ষিণ আফ্ৰিকাই ১৬ অভাৰ ২টা বলত ৪ উইকেট হেৰুৱাই ৮০ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়।

০০০০০০

সাতটা পৰ্যায়ৰ ভোটগ্ৰহণ আৰু বিগত ৪৪ দিনীয়া দীৰ্ঘ পক্ৰিয়াক লৈ কৰা নানা জল্পনা-কল্পনাৰ অৱসান ঘটনাই আজি লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। এইবাৰৰ লোকসভা নিৰ্বাচনত ৬৪ কোটিৰো অধিক লোকে ভোটদান কৰি বিশ্ব অভিলেখ ৰচনা কৰিছে। ভোটগণনাৰ সমগ্ৰ প্ৰস্তুতি, নিৰ্বাচনোত্তৰ সমীক্ষা, শাসক-বিৰোধী দলৰ ফলাফলক লৈ উৎকণ্ঠা সম্পৰ্কীয় বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অহা পাঁচ বছৰলৈ দেশৰ ক্ষমতাৰ বাঘজৰী কাৰ হাতত থাকিব তাক লৈ চলি থকা গুণাগথাৰ প্ৰসংগক লৈ অসমীয়া প্ৰতিদিন কাকতে **দিল্লী কাৰ আজি জনাদেশ** শিৰোনামেৰে আজিৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

একেটা বিষয়কলৈ দৈনিক অসম কাকতে **ক্ষমতাত কোন? আজি উৎকণ্ঠাৰ অৱসান**, অসমীয়া খবৰ কাকতে **দিল্লী কাৰ দখলত? আজি নিৰ্ণয়**, দৈনিক অগ্ৰদূত কাকতে **গভীৰ উৎকণ্ঠাৰ মাজতে আজি ফলাফল** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

আনহাতে ভোটগণনাৰ পূৰ্বেই শাসক আৰু বিৰোধী উভয়পক্ষই বিজয় উৎসৱৰ প্ৰস্তুতি আৰম্ভ কৰাৰ আন এটা বাতৰি দৈনিক জনমভূমি কাকতে **বিজয়োৎসৱৰ বিশাল আয়োজন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান

দিছে। ইপিনে বিজেপিৰ ৰাজ্যিক সভাপতি ভৰেশ কলিতাই ১২ খন আসন লাভ কৰিব বুলি নিজৰ দাবীত অতল হৈ থকাৰ এটা বাতৰি আমাৰ অসম কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এগজিট প'লত মোদী চৰকাৰৰ হেটট্ৰিকৰ স্পষ্ট ইংগিত দিয়াৰ পাছতে মুম্বাইৰ শ্বেয়াৰ বজাৰত অভাৱনীয় উত্থান হয়। সৰ্বকালৰ সৰ্বাধিক পইণ্টেৰে অভিলেখ ৰচনা কৰাৰ এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে **এদিনতে বিনিয়োগকাৰীৰ লাভ ১১ লাখ কোটি** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যত সাম্প্ৰতিক বানত ১০ খন জিলাৰ ৬ লাখ ২৫ হাজাৰ লোক বানৰ কবলত পৰিছে। আনহাতে বানত এতিয়ালৈকে মৃত্যু হোৱা লোকৰ সংখ্যা ১৮লৈ বৃদ্ধি পাইছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আনহাতে নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটীৰ বিভিন্ন অঞ্চলত হোৱা ভূমিস্খলনে জনসাধাৰণৰ জীৱনলৈ ভাবুকিৰ সৃষ্টি কৰিছে। এই বিষয়টোলৈ জিলা প্ৰশাসন কিমান সচেতন, এই সন্দৰ্ভত এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ৩৬ ঘণ্টাৰ পাছতো উদ্ধাৰ নহ'ল সুনীল গগৈৰ কটা শিৰ, টোল মাচুল বৃদ্ধিত হাহাকাৰ ঃ মূল্যবৃদ্ধিৰ প্ৰতিবাদ আছুৰ, ডিব্ৰুগড়-সোণাৰি, টিংখাংম, তিনিচুকীয়াত শ শ ক্ষুদ্ৰ চাহ খেতিয়কৰ ধৰ্মঘট ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত